# NSD NEWS BULLETIN
AKASHVANI, GUWAHATI
0000000000

**Date : 11**-12-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

## HEADLINES

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীত পঞ্চায়তীৰাজ মন্ত্ৰালয়ৰ উদ্যোগত অনুষ্ঠিত ৰাষ্ট্ৰীয় পঞ্চায়ত বঁটা ২০২৪  প্ৰদান কৰে।

২। সংসদৰ দুয়োখন সদনত আজি শাসক আৰু বিৰোধীৰ মাজত  বিভিন্ন বিষয় সন্দৰ্ভত আলোচনা হয়।

৩। লোকসভাই দুৰ্যোগ ব্যৱস্থাপনা সংশোধনী বিধেয়ক ২০২৪ বিবেচনা আৰু গৃহীত কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে।

৪। স্মাৰ্ট ইণ্ডিয়া হেকাথন ২০২৪ ত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে ভাৰত হৈছে পৃথিৱীৰ ভিতৰত ডিজিটেল অৰ্থনীতিৰ ক্ষেত্ৰত এখন অগ্ৰণী দেশ। ***আৰু***

৫। পাৰ্থত অনুষ্ঠিত মহিলা ক্ৰিকেটৰ এদিনীয়া শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত আজি অষ্ট্ৰেলিয়াই ভাৰতক ৮৩ ৰাণত পৰাস্ত কৰে।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীৰ বিজ্ঞান ভৱনত পঞ্চায়তীৰাজ মন্ত্ৰালয়ৰ উদ্যোগত অনুষ্ঠিত ৰাষ্ট্ৰীয় পঞ্চায়ত বঁটা ২০২৪  প্ৰদান কৰে। এইবছৰ বিভিন্ন শিতানত মুঠ ৪৫ গৰাকী লোকক বঁটা প্ৰদান কৰা হয়। এই বঁটাসমূহে তৃণমূল পৰ্যায়ত প্ৰশাসন আৰু সামুহিক উন্নয়নৰ ছবি প্ৰতিফলিত কৰিছে। ওড়িশা আৰু ত্ৰিপুৰাই ৭ টাকৈ বঁটা লাভ কৰি সৰ্বাধিক বঁটা লাভৰ তালিকাত স্থান পাইছে। এই অনুষ্ঠানত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে বঁটা প্ৰাপকসকলৰ প্ৰচেষ্টাক অভিনন্দন জনাই কয়, যে এই বঁটাসমূহ পঞ্চায়তৰ প্ৰতি নিষ্ঠা আৰু  প্ৰয়াসৰ প্ৰতীক, যিয়ে ভৱিষ্যতৰ প্ৰতিও ভাল কাম কৰি  যাবলৈ প্ৰেৰণা যোগব। শ্ৰীমতী মুৰ্মুৱে কয়, যে প্ৰায় ৬৪ শতাংশ লোক গ্ৰাম্যাঞ্চলত বাস কৰে। সেয়েহে দেশক শক্তিশালী কৰাৰ লগতে উন্নত জাতি গঢ়ি তোলাত গাওঁ আৰু গাওঁবাসীৰ উন্নয়ন গুৰুত্বপূৰ্ণ।

ooooo

সংসদৰ দুয়োখন সদন আজি শাসক আৰু বিৰোধী সদস্যসকলৰ মাজত বিভিন্ন বিষয় লৈ হোৱা আলোচনা আৰু বাক বিতণ্ডাৰ সাক্ষী হৈ ৰয়। আজি ৰাজ্যসভা দিনটোৰ  বাবে স্থগিত ৰখা হয়। ইফালে লোকসভাৰ কাৰ্যক্ৰমণিকাও একাধিকবাৰ স্থগিত ৰখা হৈছে। দুপৰীয়া ১২ বজাত স্থগিত ৰখাৰ পাছত পুনৰ উচ্চ সদন মিলিত হোৱাৰ সময়ত সদনৰ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাই কংগ্ৰেছৰ নেতাসকলৰ আমেৰিকাৰ জৰ্জ চ'ৰ'ছ ফাউণ্ডেছনৰ সৈতে থকা সম্পৰ্কৰ বিষয়ে আলোচনা কৰিবলৈ দাবী উত্থাপন কৰে। ইয়াৰ পূৰ্বে পুৱা অধ্যক্ষ জগদীপ ধনখড়ে বিৰোধী সদস্যসকলে আগবঢ়োৱা সদন স্থগিতাদেশৰ জাননী নাকচ কৰে। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে  কংগ্ৰেছে অনা সদন স্থগিতাদেশৰ জাননীৰ বাবে বিৰোধীক গৰিহণা দিয়ে। তেওঁ কয়, যে কংগ্ৰেছে ইয়াৰ বাবে ক্ষমা খোজা উচিত।

ooooo

লোকসভাই দুৰ্যোগ ব্যৱস্থাপনা সংশোধনী বিধেয়ক ২০২৪ বিবেচনা আৰু গৃহীত কৰাৰ বাবে গ্ৰহণ কৰিছে। এই বিধেয়কখনে দুৰ্যোগ ব্যৱস্থাপনা আইন ২০০৫ সংশোধন কৰি ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষ আৰু ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষক শক্তিশালী কৰিছে। এই সংশোধিত বিধেয়কখনে ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষ আৰু ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষক ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ত দুৰ্যোগ পৰিকল্পনা প্ৰস্তুত কৰিবলৈ ক্ষমতা প্ৰদান কৰিছে। ৰাজ্য চৰকাৰসমূহক বিধেয়কখনে ৰাজধানী আৰু মহানগৰসমূহত পৌৰ নিগম পৰ্যায়ত পৃথক নগৰীয়া দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষ গঠন কৰিবলৈ ক্ষমতা প্ৰদান কৰিছে। এই বিধেয়কখনে ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ত দুৰ্যোগ তথ্যকোষ সৃষ্টিৰ ব্যৱস্থা কৰিব। ইয়াৰ লগতে ৰাজ্য চৰকাৰসমূহক ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনী গঠন কৰাৰ ক্ষমতা প্ৰদান কৰিব। বিধেয়কখন উত্থাপন কৰি গৃহ পৰিক্ৰমা ৰাজ্যমন্ত্ৰী নিত্যানন্দ ৰায়ে কয়, যে চৰকাৰে দুৰ্যোগ ব্যৱস্থা নীতি উন্নত কৰাৰ বাবে কেইবাটাও পদক্ষেপ গ্ৰহণ কৰিছে আৰু প্ৰাকৃতিক দুৰ্যোগৰ সৈতে মোকাবিলা কৰাৰ বাবে এটা শক্তিশালী পৰিবেশ তন্ত্ৰ গঢ়ি তুলিছে।

০০০০০

নৱীকৰণযোগ্য শক্তিখণ্ডত দেশত মুঠ স্থাপন ক্ষমতা বিগত ১০ বছৰত পূৰ্বৰ ৭৬ দশমিক ৩-৮ গিগাৱাটৰ পৰিৱৰ্তে ২০৩ গিগাৱাটলৈ বৃদ্ধি পাইছে। লোকসভাত এটা লিখিত প্ৰশ্নৰ উত্তৰত নতুন আৰু নৱীকৰণযোগ্য শক্তিৰ ৰাজ্যিক মন্ত্ৰী শ্ৰীপদ য়ছ'নায়কে কয়, যে চৰকাৰে দেশত নৱীকৰণযোগ্য শক্তিৰ ক্ষমতাক ত্বৰান্বিত কৰিবলৈ বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। মন্ত্ৰীগৰাকীয়ে কয়, যে এইবছৰৰ ৩১ অক্টোবৰ পৰ্যন্ত দেশৰ মুঠ স্থাপিত শক্তি উৎপাদন ক্ষমতাৰ ভিতৰত অজীৱাশ্ম ইন্ধন ভিত্তিক সংস্থাপন ক্ষমতাৰ অংশ ৪৬ দশমিক ৫ শতাংশ। তেওঁ আৰু কয়, যে ভাৰতে ২০৩০ চনৰ ভিতৰত অজীৱাশ্ম ইন্ধন ভিত্তিক শক্তি সম্পদৰ পৰা ৫০ শতাংশ ক্ৰমবৰ্ধমান বৈদ্যুতিক শক্তি স্থাপনৰ ক্ষমতা আহৰণ কৰিবলৈ UNFCC ক প্ৰতিশ্ৰুতি  প্ৰদান কৰিছে।

০০০০০

গৌতম আদানী নেতৃত্বাধীন কোম্পানী-আদানী পোৰ্টছে শ্ৰীলংকাৰ কলম্বো পশ্চিম আন্তৰ্জাতিক টাৰ্মিনেল প্ৰকল্প নিজা পুঁজিৰে সম্পূৰ্ণ কৰিব বুলি প্ৰকাশ কৰিছে। এই প্ৰকল্পৰ বাবে আদানী পোৰ্টছে মাৰ্কিন আন্তৰ্জাতিক বিত্ত নিগমৰ পৰা ৫৫৩ মিলিয়ন ডলাৰৰ সাহায্য  লাভ কৰাৰ কথা আছিল যদিও যোৱা মাহত আমেৰিকাৰ আইন বিভাগ আৰু চিকিউৰিটিজ এণ্ড এক্সচেঞ্জ কমিছনে আদানী গোটে ঠিকা লাভৰ বাবে উৎকোচ দিছিল বুলি কৰা অভিযোগৰ পাছত এই প্ৰকল্পটোৰ ভৱিষ্যত অনিশ্চিত হৈ পৰিছিল। প্ৰকল্পটোৰ অন্যতম অংশীদাৰ শ্ৰীলংকা পোৰ্টছ্ অথৰিটিয়ে এই বন্দৰ প্ৰকল্পৰ ক্ষেত্ৰত মাৰ্কিন পুঁজি যোগান চুক্তি পুনৰীক্ষণৰ এতিয়াই কোনো সম্ভাৱনা নাই বুলি কেইদিনমান পূৰ্বে ঘোষণা কৰিছিল।

০০০০০

স্মাৰ্ট ইণ্ডিয়া হেকাথন ২০২৪ ত ভিডিঅ' কনফাৰেন্সিংযোগে সংযুক্ত হৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে ভাৰত হৈছে পৃথিৱীৰ  ভিতৰত ডিজিটেল অৰ্থনীতিৰ এখন অগ্ৰণী দেশ। তেওঁ কয়, যে আমাৰ দেশ বৃহৎ পৰিসৰত ডিজিটেলী সংযুক্ত হৈছে আৰু ইয়ে চাইবাৰ অপৰাধ বৃদ্ধিৰ কাৰকো হৈ পৰিছে। যুৱ উদ্ভাৱকসকলৰ এই অনুষ্ঠানত অংশ লৈ প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে তেওঁলোক সকলোৰে ২১ শতিকাৰ ভাৰতৰ ক্ষেত্ৰত সুকীয়া লক্ষ্য আছে।

০০০০০

ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান জম্মুত দ্যা স্মাৰ্ট ইণ্ডিয়া হেকাথন ২০২৪ আৰম্ভ হৈছে। ভাৰতত উদ্ভাৱন আৰু প্ৰযুক্তিগত উৎকৰ্ষতাৰ বাবে এই পদক্ষেপ গুৰুত্বপূৰ্ণ। আকাশবাণী জম্মুৰ সংবাদদাতাই প্ৰকাশ কৰা অনুসৰি এই সন্মানীয় ৰাষ্ট্ৰীয় অনুষ্ঠানে উদ্ভাৱক, চিন্তাবিদ আৰু পৰিৱৰ্তনকামী এক গতিশীল সম্প্ৰদায়ক একত্ৰিত কৰি জাতিটোৰ

ভৱিষ্যত গঢ় দিব পৰা ধাৰণাসমূহৰ এখন উমৈহতীয়া মঞ্চ তৈয়াৰ কৰিছে। ইয়াৰ মূল বিষয়বস্তু হৈছে - **সৃষ্টিৰ শক্তি, উদ্ভাৱনৰ ভেটি**। এই হেকাথনৰ লক্ষ্য হৈছে - যুৱ প্ৰজন্মৰ অপাৰ সম্ভাৱনাক চিনাক্ত কৰি বাস্তৱ জগতৰ প্ৰত্যাহ্বানসমূহৰ মোকাবিলা কৰাৰ বাবে উদ্ভাৱনীমূলক সমাধান সৃষ্টিৰ অৰ্থে তেওঁলোকক প্ৰেৰণা যোগোৱা।

ooooo

ভাৰতীয় জনতা পাৰ্টীয়ে উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ৰ বিৰুদ্ধে কংগ্ৰেছে অনা অনাস্থা প্ৰস্তাৱক দুৰ্ভাগ্যজনক বুলি অভিহিত কৰিছে। আজি নতুন দিল্লীত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত দলটোৰ মুখপাত্ৰ সম্বিত পাত্ৰই এই বুলি অভিযোগ কৰে যে সংসদৰ চলিত অধিবেশনত কংগ্ৰেছে সংবিধানৰ প্ৰতি অসন্মান প্ৰদৰ্শন কৰিছে। তেওঁ এইবুলিও দাবী কৰে যে, কংগ্ৰেছ দল আৰু ইয়াৰ সহযোগী কেইটামান দলে নিৰ্বাচন আয়োগ আৰু ইলেকট্ৰনিক ভোটিং মেচিনৰ প্ৰত্যাহ্বান জনাই উচ্চতম ন্যায়ালয়ত জনস্বাৰ্থজনিত গোচৰ ৰুজু কৰাৰ পৰিকল্পনা কৰিছে। গান্ধী পৰিয়ালে আমেৰিকাৰ পৰা ধন লৈ দেশখনক অস্থিৰ কৰাৰ ষড়যন্ত্ৰত লিপ্ত হৈছে বুলিও শ্ৰীপাত্ৰই গুৰুতৰ অভিযোগ উত্থাপন কৰে।

ooooo

ৰিজাৰ্ভ বেংকৰ গৱৰ্ণৰ সঞ্জয় মালহোত্ৰাই আজি ভূ-ৰাজনৈতিক উত্তেজনা, জলবায়ু পৰিৱৰ্তন প্ৰভাৱ আৰু ৰাজনৈতিক অস্থিৰতাৰ দ্বাৰা প্ৰভাৱিত গতিশীল বিশ্বৰ পৰিবেশত স্থিতিশীলতা বজাই ৰখাত গুৰুত্ব প্ৰদান কৰে। তেওঁ কয়, যে ৰিজাৰ্ভ বেংকে নীতিগত বিষয়ত স্থিতিশীলতাক প্ৰাধান্য দিব। তেওঁ লগতে কয়, যে কেন্দ্ৰীয় বেংকে সাম্প্ৰতিক গোলকীয় অৰ্থনীতি আৰু ৰাজনৈতিক পৰিবেশৰ সঁহাৰিৰ প্ৰতি সজাগ হৈ থাকিব। উল্লেখযোগ্য যে, ৬ বছৰীয়া কাৰ্যকাল সম্পন্ন কৰা পূৰ্বৰ গৱৰ্ণৰ শক্তিকান্ত দাসৰ স্থানত সঞ্জয় মালহোত্ৰাই ভাৰতীয় ৰিজাৰ্ভ বেংকৰ ২৬ সংখ্যক গৱৰ্ণৰৰূপে দায়িত্ব গ্ৰহণ কৰিছে।

ooooo

বাংলাদেশৰ চট্টগ্ৰাম মেট্ৰ'পলিটান চেচন জজৰ আদালতে চিন্ময় কৃষ্ণ দাস ব্ৰহ্মচাৰীৰ হৈ উচ্চতম ন্যায়ালয়ৰ অধিবক্তা ৰবীন্দ্ৰ ঘোষে দাখিল কৰা তিনিখনীয়া আবেদন নাকচ কৰে। উল্লেখযোগ্য যে ২৫ নৱেম্বৰত দেশদ্ৰোহৰ অভিযোগত অভিযুক্ত শ্ৰীচিন্ময়ক ঢাকা বিমান বন্দৰত গ্ৰেপ্তাৰ কৰা হৈছিল।

ooooo

পাৰ্থত অনুষ্ঠিত মহিলা ক্ৰিকেটৰ এদিনীয়া শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত আজি অষ্ট্ৰেলিয়াই ভাৰতক ৮৩ ৰানত পৰাস্ত কৰে। অষ্ট্ৰেলিয়াই শৃংখলাটোৰ তিনিওখন খেলতে জয়লাভ কৰি অপ্ৰতিৰোধ্য হৈ থাকে। ভাৰতে ২৯৯ ৰানৰ লক্ষ্যৰে খেল আৰম্ভ কৰি ৪৫ অভাৰ এটা বলত আটাইকেইটা উইকেট ২১৫ ৰানহে কৰিবলৈ সমৰ্থ হয়। ভাৰতৰ হৈ স্মৃতি মান্ধানাই সৰ্বাধিক ১০৫ ৰান কৰে। ইয়াৰ পূৰ্বে অষ্ট্ৰেলিয়াই প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ৫০ অভাৰত ৬টা উইকেট হেৰুৱাই ২৯৮ ৰান সংগ্ৰহ কৰে। ঘৰুৱা দলটোৰ হৈ এনাবেল ছাডাৰলেণ্ডে ৯৫টা বলত ১১০ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ অৰুন্ধতী ৰেড্ডীয়ে চাৰিটা উইকেট দখল কৰে।

ooooo

সমাপ্ত